# Telephone Conversation between PM and the Federal Chancellor of Germany

April 02, 2020

---

## প্ৰধানমন্ত্ৰী আৰু জাৰ্মানীৰ চেঞ্চেলৰৰ মাজত টেলিফোনযোগে বাৰ্তালাপ

এপ্ৰিল 02, 2020

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডীয়ে আজি জামানীৰ চেঞ্চেলৰ মাননীয় ড এঞ্জেলা মাৰ্কেলৰ সৈতে এক টেলিফোনিক বাৰ্তালাপত মিলিত হয়।

দুয়োগৰাকী নেতাই ক'ভিড-19 মহামাৰীৰ ফলত দুয়োখন দেশত উদ্ভৱ হোৱা পৰিস্থিতিৰ বিষয়ে আলোচনা কৰে আৰু স্বাস্থ্য সংকটৰ পৰা উদ্ধাৰ পাবলৈ আন্তৰ্জাতিক সহযোগিতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

তেওঁলোকে মহামাৰীৰ সময়ছোৱাত প্ৰয়োজনীয় চিকিৎসা সঁজুলি আৰু পৰ্যাপ্ত পৰিমাণৰ ঔষধৰ উপলব্ধতা সন্দৰ্ভত মত বিনিময় কৰে আৰু এই ক্ষেত্ৰত সহযোগিতা সম্প্ৰসাৰণৰ বাবে সহমত হয়।

আধুনিক সভ্যতাৰ ইতিসাহত কোভিড-19 মহামাৰী এটি গুৰুত্বপূৰ্ণ অধ্যায় বুলি প্ৰধানমন্ত্ৰী কোৱা কথাটোৰ সৈতে জাৰ্মানীৰ চেঞ্চেলৰগৰাকীয়ে সহমত প্ৰকাশ কৰে, আৰু সমগ্ৰিকভাৱে মানৱতাৰ স্বাৰ্থত গোলকীকৰণৰ নতুন দিশত কাম কাৰত আগ্ৰহ প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে চেঞ্চেলৰগৰাকীক ভাৰতীয় সৰল যোগাভ্যাস আৰু বিশ্বৰ জনসাধাৰণৰ ৰোগ প্ৰতিৰোধক ক্ষমতা বৃদ্ধিৰ বাবে আয়ুৰ্বেদিক ঔষধৰ বিষয়ে উল্লেখ কৰে। চেঞ্চেলৰগৰাকীয়ে এনেধৰণৰ উপায়ৰ জৰিয়তে লক-ডাউনৰ সময়ছোৱাত জনসাধাৰণৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্য বৰ্তাই ৰখাত সহায়ক হ'ব বুলি মন্তব্য প্ৰদান কৰে।

**নতুন দিল্লী**
**এপ্ৰিল 02, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.